প্ৰেছ বিজ্ঞপ্তি

# বেংককত ভাৰত-থাইলেণ্ড পৰ্য্যটন সমাৰোহ




বেংকক আৰু চিঙ্গাপুৰস্থিত ভাৰতীয় দূতাৱাসৰ যুটীয়া প্ৰচেষ্টাত ভাৰতৰ পৰ্য্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে যোৱা ৮ জুলাইত বেংককৰ চুখুমভিট, হোটেল গ্ৰেণ্ড মিলেনিয়ামত এখন পৰ্য্যটন সমাৰোহ অনুষ্ঠিত হয়।

উক্ত সমাৰোহত বেংককস্থিত ভাৰতীয় ৰাষ্ট্ৰদূত শ্ৰী হৰ্ষবৰ্দ্ধন শ্ৰিংলা, চিঙ্গাপুৰস্থিত ভাৰতীয় দূতাৱাসৰ জ্যেষ্ঠ পৰ্য্যটন বিষয়াসকল, থাইলেণ্ড আৰু ভাৰতৰ বহুকেইজন টুৰ অপাৰেটৰে অংশগ্ৰহণ কৰে। এই সমাৰোহতেই অসম পৰ্য্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক শ্ৰী মানিক চন্দ্ৰ শৰ্মাই অংশগ্ৰহণ কৰি অসম পৰ্য্যটন বিভাগৰ প্ৰসাৰ আৰু প্ৰচাৰ সম্পৰ্কত এটি মনোগ্ৰাহী বৰ্ণনা দাঙি ধৰে। লগতে বিদেশী পৰ্য্যটকক আকৰ্ষিত কৰিব পৰাকৈ অসমৰ পৰ্য্যটন সম্পৰ্কীয় এখনি চুটি তথ্যচিত্ৰও প্ৰদৰ্শন কৰে। প্ৰকৃতিৰ ৰম্যভূমি অসমলৈ থাইলেণ্ডৰ পৰ্য্যটকসকল আহি ইয়াৰ মনোৰম দৃশ্যৰাজী, নানাৰঙী কৃষ্টি-সংস্কৃতি, জীৱ-জন্তু, তীৰ্থস্থান আদি ভ্ৰমণ কৰি আনন্দ উপভোগ কৰিবলৈ অসম পৰ্য্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালকে অনুৰোধ জনায়।

*****************